**MIME WEEK AT SARAIGHT COLLEGE ON 01-12-25 to 07-12-25**

# শৰাইঘাট মহাবিদ্যালয়ত মূকাভিনয় সপ্তাহ

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ ডিচেম্বৰ ঃ নিৰ্বাকৰ উদ্যোগত অসমত প্ৰথমবাৰৰ বাবে ১ ডিচেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ 'মূকাভিনয় সপ্তাহ' অনুষ্ঠিত হৈছে। অসমৰ অন্যতম মূকাভিনয় আৰু সাংস্কৃতিক সংগঠন নিৰ্বাকে ভাৰতত প্ৰথম 'মূকাভিনয় সপ্তাহ' উদ্‌যাপন কৰিছে। 'যুৱ প্ৰজন্মৰ বাবে পথ সুৰক্ষা' বিষয়ক লৈ এই 'মূকাভিনয় সপ্তাহ' উদ্‌যাপন কৰিছে। এই 'মূকাভিনয় সপ্তাহ'ৰ লক্ষ্য হৈছে মূকাভিনয় শিল্পৰ মাধ্যমেৰে যুৱ সমাজক পথ



সুৰক্ষাৰ প্ৰতি সজাগ কৰা। 'মূকাভিনয় সপ্তাহ ২০২৫'ৰ অংশ হিচাপে কামৰূপ জিলাৰ শৰাইঘাট কলেজত শুকুৰবাৰে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত যুৱ মূকাভিনয় শিল্পী মিনাংক ডেকাৰ পৰিচালনাত নিৰ্বাক দলৰ বিশেষ পথ সুৰক্ষাৰ বিশেষ মূকাভিনয় প্ৰদৰ্শনি কৰা হয়। এই বিশেষ অনুষ্ঠানত কামৰূপ জিলাৰ পৰিবহণ বিষয়া মনোজ চৌধুৰী, এম ভি আই জয় সিং ৰংফাৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা, অধিবক্তা তথা সমাজকৰ্মী চাৰ্জিবুল চৌধুৰী আৰু অৰূপ ডেকা উপস্থিত থাকে। নিৰ্বাক গোষ্ঠীৰ এই বিশেষ পদক্ষেপক সকলোৱে শলাগ লয়।